# Regional News Unit

# Akashvani :: Guwahati

**0000000000**

**Date : 27-07-2024**

**Time : 17-15 Hrs**

## Assamese  Evening Bulletin

**:::::::::::::::::::::::::::::::**

চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত আয়ুক্তৰ কাৰ্যালয়ত আজি ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ ৰূপায়ণ তথা কামৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। জিলাখনৰ শীৰ্ষ নিৰাপত্তা বিষয়া আৰু বিভিন্ন বিভাগৰ মুৰববীসকল উপস্থিত থকা সভাখনত জিলাখনৰ লগতে ভূটান সীমান্তৰ নিৰাপত্তা সম্পৰ্কীয় বিষয়তো আলোচনা কৰা হয়।

ৰাজ্যপালগৰাকীৰ লগতে জিলাখনৰ বেংতল মহাবিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সীমান্ত চেতনা মঞ্চৰ পূৰ্বোত্তৰ ৰাজ্যিক অধিৱেশনতো মুখ্য অতিথিৰূপে উপস্থিত থাকে। ভাষণ প্ৰসংগত ৰাজ্যপাল শ্ৰী কাটাৰীয়াই কয় যে, নতুন শিক্ষা নীতিৰ জৰিয়তে শিক্ষাৰ্থীসকলে বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত বিশেষ সহায় লাভ কৰিব। ৰাজ্যপালগৰাকীয়ে লগতে সীমান্ত সুৰক্ষাৰ বাবে সীমান্ত চেতনা মঞ্চৰ কাৰ্যকৰ্তা সকলে লৈ অহা উদ্যোগক বিশেষভাৱে প্ৰশংসা কৰে। অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে সন্মানিত অতিথি হিচাপে উপস্থিত থাকে। ভাষণ প্ৰসংগত শ্ৰী বড়োৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত উত্তৰ-পূবৰ সৰ্বাংগীণ উন্নতি সাধনত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি মন্তব্য কৰে।

০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত চলি থকা ৰাষ্ট্ৰীয় শিক্ষা সপ্তাহ উপলক্ষে দেশৰ লগতে ৰাজ্যৰ বিভিন্ন কেন্দ্ৰীয় বিদ্যালয়সমূহত বৃক্ষৰোপণ কাৰ্যসূচী পালন কৰা হয়। **মাতৃৰ নামত এটা গছপুলি** শীৰ্ষক এই বৃক্ষৰোপণ কাৰ্যসূচীৰ অধীনত কেন্দ্ৰীয় বিদ্যালয় গোৱালপাৰাৰ শিক্ষাৰ্থীসকলে মাতৃৰ উপস্থিতিত বিদ্যালয়খনৰ চৌহদত একোডালকৈ গছপুলি ৰোপণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানমৰ্মে মাতৃৰ প্ৰতি সন্মান জনোৱাৰ লগতে পাৰিপাৰ্শ্বিকতাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে কেন্দ্ৰীয় বিদ্যালয় গোৱালপাৰাই এই বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীত বিদ্যালয়খনৰ অধ্যক্ষ

শিৰপ্ৰকাশ শৰ্মাৰ লগতে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। একেদৰে খানাপাৰা কেন্দ্ৰীয় বিদ্যালয়তো প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ছাত্ৰ-ছাত্ৰীসকলে মাতৃৰ উপস্থিতিত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উদ্যোগত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০

অসমৰ আধুনিক আৰু সমকালীন শিল্পকলা ক্ষেত্ৰৰ স্বনামধন্য ব্যক্তিত্ব বেণু মিশ্ৰৰ সোঁৱৰণত গুৱাহাটী আৰ্টিষ্ট গিল্ডৰ উদ্যোগত আৰু নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৃষ্ঠপোষকতাত প্ৰদান কৰি অহা বেণু মিশ্ৰৰ সোঁৱৰণি এন আৰ এল বঁটা ২০২৪ আজি ঘোষণা কৰা হয়। এই উদ্দেশ্যেৰে গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত উদ্যোক্তাসকলে বিশিষ্ট চিত্ৰশিল্পী আমিনুল হক আৰু প্ৰতিভাৱান যুৱ চিত্ৰশিল্পী ৰমেন ইংতিক এই বঁটাৰ বাবে মনোনীত কৰা বুলি ঘোষণা কৰে। অহা ১১ আগষ্টত উজানবজাৰত থকা বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াৰ উপস্থিতিত এই বঁটা প্ৰদান কৰা হ'ব।

০০০

তামুলপুৰ জিলাৰ কুমাৰীকাটাত থকা খাদী আৰু গ্ৰামোদ্যোগ বিদ্যালয়ত অনুষ্ঠিত এমহীয়া বিউটিচিয়ান প্ৰশিক্ষণ পাঠ্যক্ৰমৰ আজি সামৰণি পৰে। তামুলপুৰ আঞ্চলিক গ্ৰামদান সংঘৰ উদ্যোগত আৰু অসম আৰক্ষীৰ বিশেষ শাখাৰ গুৱাহাটীস্থিত মুখ্য কাৰ্যালয়ৰ সহযোগত প্ৰাক্তন বিদ্ৰোহী সংগঠনসমূহৰ পৰিয়ালৰ সদস্যসকলক এই প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণত অংশগ্ৰহণ কৰা ৩৫ গৰাকী যুৱতীক আজি পাঠ্যক্ৰমৰ সামৰণি উদ্দেশ্যে আয়োজিত অনুষ্ঠানত প্ৰমাণপত্ৰ তথা বিউটিপাৰ্লাৰত ব্যৱহৃত কেতবোৰ সামগ্ৰী বিতৰণ কৰা হয়। অনুষ্ঠানত অসম আৰক্ষীৰ বিশেষ শাখাৰ প্ৰাক্তন উপ মহাপৰিদৰ্শক লুইছ আইন, অসম আৰক্ষীৰ বিশেষ শাখাৰ উপ মহাপৰিদৰ্শক ৰত্না সিঙকে ধৰি শীৰ্ষস্থানীয় আৰক্ষী-বিষয়াবৰ্গৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

বড়ো ভাষাৰ প্ৰথম তিনিমহীয়া আলোচনী **বিবাৰ**ৰ ১০০ বছৰপূৰ্তি উপলক্ষে আজি ধুবুৰী বড়ো এছ'চিয়েছনৰ উদ্যোগত ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষগৃহত এখন সভাৰ আয়োজন কৰা হয়। সভাত পদ্মশ্ৰী সন্মানেৰে সন্মানিত ড০ মংগল সিং হাজোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বড়ো ভাষাৰ প্ৰথম তিনিমহীয়া আলোচনীখনৰ শতিকাপূৰ্তি উপলক্ষে সভাত এখন স্মৰণিকা উন্মোচন কৰা হয়। স্মৰণিকাখন উন্মোচন কৰি সাহিত্য অকাডেমী বঁটাপ্ৰাপক জনিল কুমাৰ ব্ৰহ্মই বড়ো ভাষাৰ উন্নয়ন আৰু বিকাশ সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। উল্লেখযোগ্য যে ১৯২৪ চনৰ এপ্ৰিল মাহত সতীশ চন্দ্ৰ বসুমতাৰীৰ সম্পাদনাত **বিবাৰ**ৰ ধুবুৰীৰ পৰা প্ৰথম প্ৰকাশ হৈছিল।

০০০

মহিলাৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকাই পাকিস্তানক ৩ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। কালিৰ খেলখনত ১৪১ ৰানৰ লক্ষ্যৰে খেলা শ্ৰীলংকাৰ দলটোৱে তিনিটা উইকেট আৰু এটা বল বাকী থকা অৱস্থাত জয় লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ১৪০ ৰান সংগ্ৰহ কৰে। শ্ৰীলংকাৰ অধিনায়ক ছোমাৰি আঠাপথ্থুৱে সৰ্বাধিক ৬৩ ৰান কৰে আৰু তেওঁক প্লেয়াৰ অব দ্যা মেছ ঘোষণা কৰা হয়। ভাৰতে প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশত ১০ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ৫৪টা বলতেই ৮১ ৰানৰ লক্ষ্যত উপনীত হৈ ভাৰতে খেলখনত জয়লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত কেৱল ৮০ ৰানহে কৰিবলৈ সমৰ্থ হৈছিল। ভাৰতীয় অপেনাৰ স্মৃতি মন্ধানাই খেলখনত ৩৯টা বলত ৫৫ ৰান সংগ্ৰহ কৰে।

ইফালে ভাৰত আৰু শ্ৰীলংকাৰ পুৰুষৰ দলকেইটাৰ মাজত হ'বলগীয়া তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

০০০

সমাপ্ত